# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-07-2025
**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::

ৰাজ্যৰ বিভিন্ন স্থানত উচ্ছেদ অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তিনিচুকীয়া জিলাৰ শদিয়াৰ চপাখোৱাৰ বুঢ়া-বুঢ়ী থানৰ সংৰক্ষণ আৰু চৌহদৰ উন্নয়নৰ উদ্দেশ্যে প্ৰায় ৯ কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰিববলগীয়া এটা প্ৰকল্পৰ ভূমিপুজনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে এটা নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে ভূমি দখলমুক্ত কৰা হ'ব। ৰাজ্যত প্ৰায় ২৯ লাখ বিঘা ভূমি বেদখলৰ কবলত পৰিছে বুলি তেওঁ মন্তব্য কৰে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাতো সন্দেহজনক লোকে ভূমি দখল কৰি থকাৰ তথ্যও লাভ কৰা বুলি তেওঁ জানিবলৈ দিয়ে। ৪ দিনীয়া উজনি অসম ভ্ৰমণসূচীৰে শদিয়াত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীক বুঢ়া-বুঢ়ী থান পৰিদৰ্শনকালত মন্ত্ৰী ৰূপেশ গোৱালা, বিধায়ক বলিন চেতীয়া, চুৰেণ ফুকনকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাই সংগ দিয়ে। ড০ শৰ্মাই উজনি অসম ভ্ৰমণৰ সময়ছোৱাত তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ ভূমিপূজনত ভাগ ল'ব। ইয়াৰ উপৰি তেওঁ ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ সচিবালয়ত কেইবাখনো পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰিবেশ আৰু সৰলিকৰণৰ বাবে ফেছনৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ পূৰ্ণ সম্ভাৱনা আছে বুলি উত্তৰ পূৰ উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে। উত্তৰ পূৰৰ হস্ততাঁত আৰু হস্তশিল্প খণ্ডৰ সৰলীকৰণৰ লক্ষ্যৰে আয়োজন কৰা উচ্চ পৰ্যায়ৰ কাৰ্যবাহী বৈঠকত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে আজি কয় যে অঞ্চলটোৰ পৰম্পৰাগত কলা, পৰিবেশ সচেতনতা আৰু উৎকৃষ্ট হস্তশিল্প দক্ষতাই ইয়াক সেউজ ফেছন বিপ্লৱৰ অগ্ৰণি হিচাপে গঢ়ি তুলিব পাৰে। তেঁও কয়, যে আমি আমাৰ সাংস্কৃতিক ঐতিহ্যক জীৱিকা, উদ্ভাৱন আৰু বিশ্ব মঞ্চত দেশৰ পৰিচয় সৃষ্টিৰ বাবে ব্যৱহাৰ কৰিব লাগিব। নাগালেণ্ডত মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিং, মিজোৰামৰ মুখ্যমন্ত্ৰী লালডুহোমা আৰু অসমৰ বস্ত্ৰমন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি লেছথ'ৰ ৰাজধানী মাছেৰুত দেশখনৰ ৰজা লেষ্টি তৃতীয় আৰু প্ৰধানমন্ত্ৰী ছেমুৰেল চোকোৱানে মাতেকানেক সাক্ষাৎ কৰে। তেওঁ লগতে ভাৰত আৰু লেছথ'ৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে গঠনমূলক আলোচনাত মিলিত হয়। আলোচনাত উভয় দেশৰ মাজৰ সহযোগিতা বৃদ্ধিৰ উপায় আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহে আগস্থান লাভ কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন স্থানত হোৱা পথ দুৰ্ঘটনাত দুজন লোকে প্ৰাণ হেৰুৱাইছে। চিৰাং জিলাৰ চিদলিৰ কাশীকোত্ৰাৰ সমীপত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি বিয়লি হোৱা এটা পথ দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হয় আৰু অন্য কেইবাজনো আহত হয়। নিহত লোকজনক বাসুগাঁওৰ নমিত গঞাৰী বুলি চিনাক্ত কৰা

হৈছে। ইপিনে,  যোৰহাট জিলাৰ তিতাবৰ চাৰিআলিত হোৱা এটা পথ দুৰ্ঘটনাত আজি এজন লোক নিহত হয়। নিহত লোকজনক তিতাবৰৰ বিবিজানৰ  পুতুল মানকি বুলি জানিব পৰা গৈছে।

০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু কামৰূপ জিলা প্ৰশাসনৰ সহযোগত বকোত ১৫ দিনীয়া গ্ৰীষ্মকালীন নাট কৰ্মশালা অনুষ্ঠিত হৈছে। অহা ৩০ জুলাইলৈ চলিবলগীয়া এই কৰ্মশালাত এন এছ্ ডিৰ পৰা প্ৰশিক্ষণপ্ৰাপ্ত নাট্যকৰ্মী ভাস্কৰ গোস্বামীয়ে প্ৰশিক্ষণ প্ৰদান কৰিছে। কৰ্মশালাত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ প্ৰায় ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

০০০০

কৃষি আৰু আবকাৰি বিভাগৰ মন্ত্ৰী অতুল বৰাই যোৰহাটত কৃষি আৰু আবকাৰি বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। ৰাজ্যৰ কেইবাটাও প্ৰান্তত সৃষ্টি হোৱা খৰাংসদৃশ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাট জিলাতো মন্ত্ৰীগৰাকীয়ে পৰিস্থিতিৰ সবিশেষ বুজ লয়। খৰাংসদৃশ পৰিস্থিতিৰ ক্ষেত্ৰভিত্তিক মূল্যায়ন কৰি কৃষকসকলক সহায়-সহযোগ কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। লগতে মন্ত্ৰীগৰাকীয়ে জিলাখনৰ চাহ বাগিছা অঞ্চলত অবৈধ সুৰাৰ বিৰুদ্ধে চলি থকা বিভাগীয় অভিযানৰ অগ্ৰগতিৰো বুজ লয়। বৈঠকত আবকাৰি অধীক্ষক আৰু পৰিদৰ্শকক এই অভিযান তীব্ৰতৰ কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

০০০০

সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিয়ে আজি বিভিন্ন সমস্যা সমাধানৰ দাবীৰে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আদিবাসীসকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা, শ্ৰমিকৰ মজুৰি বৃদ্ধি কৰা, ভূমি পট্টা দিয়াকে ধৰি বিভিন্ন দাবী পূৰণ কৰিবলৈ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে।

০০০০

এছিয়াৰ আটাইতকৈ পুৰণি ফুট বল প্ৰতিযোগিতা ইণ্ডিয়ান অইল ডুৰাণ্ড কাপৰ ১৩৪ সংখ্যক সংস্কৰণ কাইলৈ আৰম্ভ হ'ব। কোলকাতাৰ বিবেকানন্দ যুৱভাৰতী ক্ৰীড়াঙ্গনত হ'বলগীয়া উদ্বোধনী খেলত ইষ্টচ বেংগল এফ চি - চাউথ ইউনাইটেড এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে পাচ বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ